# বিদ্যালয় এখন জ্ঞান মন্দিৰ সদৃশ

আমি যিয়ে নকওঁ অতীত কালৰ পৰা বৰ্তমানলৈ প্ৰদান কৰি শিক্ষাই মানৱ সভ্যতাক উচ্চ শিখৰত লৈ যোৱাত সহায় কৰিছে। তাহানিৰ গুৰুকুলত প্ৰদান কৰা শিক্ষা ব্যৱস্থাৰ পৰা বৰ্তমান শিক্ষক - শিক্ষয়িত্ৰীয়ে বিদ্যালয়ত প্ৰদান কৰা শিক্ষা ব্যৱস্থাই ছাত্ৰ- ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে প্ৰচেষ্টা চলাই আহিছে। কেৱল শিক্ষা প্ৰদান কৰা পদ্ধতি বিলাক বেলেগ বেলেগ। এনে বেলেগ বেলেগ শিক্ষা পদ্ধতি প্ৰদান কৰিবলৈ যাওঁতে আমি ছাত্ৰ - ছাত্ৰীৰ সাৰ্বংগীন বিকাশৰ বাবে বিভিন্ন ক্ৰিয়া কলাপ কৰি যাৰ লগা হৈছে। এনে ক্ৰিয়া কলাপৰ ওপৰত ভিত্তি কৰি বিদ্যালয়খন সজাই পৰাই ল'ব পাৰিলে ছাত্ৰ -ছাত্ৰী সকল আকৰ্ষিত হোৱাৰ ওপৰিও শিক্ষা গ্ৰহণ কৰাত যথেষ্ট সুবিধা দায়ক হৈ পৰিব।

এখন বিদ্যালয় সৰ্বাংগ সুন্দৰ কৰি তুলিবলৈ প্ৰথমতে বিদ্যালয় খনৰ কৰ্মকৰ্তা সকলৰ অন্তৰখন বিদ্যালয়ৰ হিত চিন্তা কৰা হ'ৰ লাগিব। নিজৰ বিদ্যালয় খনক মন্দিৰ, মছজিদ আৰু গীৰ্জাৰ দৰে তুলনা কৰিব লাগিব। আমাৰ মাজত এনে বহু ব্যক্তি আছে যিয়ে বিদ্যালয়খনৰ উন্নতিৰ বাবে অলেপ কষ্ট কৰি আহিছে। তেনেকুৰা কিছুমান বিদ্যালয়ৰ কথা বাতৰি কাকত, দূৰদৰ্শনত দেখিলেও আমাৰ জিলাতো নথকা নহয়। বিদ্যালয খনৰ উন্নতিৰ বাবে কেৱল প্ৰধান শিক্ষক সকলে কষ্ট কৰিলে নহব। বিদ্যালয়খনৰ উন্নতিৰ বাবে বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট, ছাত্ৰ সদন বালিকা সুৰক্ষা মঞ্চ, শনিবৰীয়া সংঘ আৰু সহকাৰী শিক্ষক - শিক্ষয়িত্ৰীয়ে সমানভাৱে গুৰুত্ব প্ৰদান কৰিব লাগিব।

বিদ্যালয়খনৰ প্ৰধান গুৰি ধৰোতা প্ৰধান শিক্ষকজনে অন্য কৰ্মচাৰী সকলৰ বাবে আদৰ্শ হ'ব লাগিব। আনক জ্ঞান দিয়াৰ আগতে তেখেতে আনৰ বাবে আৰ্হি হোৱাতো প্ৰয়োজন ।

বিদ্যালয় খনৰ বাবে অহা চৰকাৰী ধন সমূহ যাথাযত শিতানত খচৰ কৰিলে বিদ্যালয় খনৰ উন্নতি হ'ব। তাৰ বাবে বিদ্যালয়খনৰ এখন উন্নয়ন পৰিকল্পনা লাগিব। উন্নয়ন পৰিকল্পনা অবিহনে বিদ্যালয়ৰ কাম - কাজ কৰিবলৈ গলে ধনৰ অপব্যৱহাৰ হ'ব।

বিদ্যালয়খনৰ ব্যাহ্যিক উন্নয়নতকৈ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নয়নৰ বাবে আমি উঠি পৰিব লাগে। আমাৰ নৱপ্ৰজন্মৰ বাবে যিমানে পৰো আহোপুৰুষৰ্থ কষ্ট কৰিব লাগে। ছাত্ৰ-ছাত্ৰাৰ শৈক্ষিক উন্নয়নৰ বাবে বিদ্যালয়ত শৈক্ষিক পৰিকল্পনা প্ৰয়োজন। শৈক্ষিক পৰিকল্পনা, নিয়ামুবৰ্তিতা, সময়ুবৰ্তিতাৰে বিদ্যালয়ৰ কৰ্মৰাজী আগবঢ়াহ নিলে বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী উন্নতি হবই।

বৰ্তমান তথ্য প্ৰযুক্তিৰ যুগত বিদ্যালয় সকলোকে খাপ খাব পৰাকৈ বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীক ন. ন আহিলা সমূহৰ লগত চিনাকি কৰি দিয়াৰ লগতে অধ্যয়নত সুবিধা দিব লাগে। ছাত্ৰ - ছাত্ৰীৰ শৈক্ষিক ঘাটি পূৰণ কৰাৰ বাবে অতিবিক্ত সময় লৈ হলেও শৈক্ষিক উত্তৰণ কৰিব লাগে।

ছাত্ৰ- ছাত্ৰীৰ বাবে বিদ্যালয়ত এটি পুথিভড়াল ৰখাটো বাঞ্চনীয়। বিদ্যালয়ত পুথিভড়াল থাকিলেই নহব, পুথিভড়ালৰ ব্যৱহাৰ সম্পৰ্কে ছাত্ৰ - ছাত্ৰীক সজাগ কৰি তুলিব লাগিব। ছাত্ৰ -ছাত্ৰীয়ে পুথি পঢ়াৰ প্ৰতি আগ্ৰহী হ'ব লাগিব।

বিদ্যালয়খনত ছাত্ৰ - ছাত্ৰীৰ শৈক্ষিক উন্নয়নৰ লগতে সহঃ বিদ্যায়তনিক উন্নয়নৰ ওপৰতো গুৰুত্ব দিব লগিব। বিদ্যালয় খনত ছাত্ৰ - ছাত্ৰীৰ সুবিধা হোৱাকৈ সকলো ধৰণৰ সামগ্ৰী মজুত ৰাখিব লাগিব। ছাত্ৰ - ছাত্ৰীয়ে নিজৰ ভালপোৱা অনুযায়ী নিজে কৰিব বিচৰাতো কৰিব দিব পৰাকৈ দৈনিক সময়সূচী খনত অলপ সময় দিব লাগে।

বিদ্যালয়খনৰ উন্নতিৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তিক জড়িত কৰিব পৰা হলে বিদ্যালয়খনৰ উন্নতি হোৱাতো নিশ্চিত। বিদ্যালয় খনক আমি সকলোৱে জ্ঞান আৰ্জনৰ স্থল বুলি গন্য কৰি ল'ব পৰিব লাগিব।

**জাহিদুল ৰহমান**
**সমন্বয়ক**